**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। যুৱক-যুৱতীসকলৰ সামৰ্থ ভাৰতবৰ্ষৰ সামৰ্থ হ'ব আৰু তেওঁলোকে দেশক সফলতাৰ নতুন শিখৰলৈ নিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ই দেশৰ আন আন ৰাজ্যসমূহে অনুসৰণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে।

৩। অসমত আজি মাঘ বিহুৰ উৰুকা। উৰুকাৰ নিশা লগেভাগে এসাজ খাবলৈ ৰাজ্যখনৰ জনসাধাৰণে প্ৰস্তুতি চলাইছে।

৪। নিৰ্বাচন আয়োগে বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ পশ্চিম বংগত অতিৰিক্ত ২০০০ পৰ্যবেক্ষক নিযুক্ত কৰিছে। *আৰু*

৫। হকী ইণ্ডিয়াই মহিলা ২০২৬ এফ.আই.এইচ হকী বিশ্বকাপ কোৱালিফায়াৰ আয়োজনৰ বাবে তেলেংগানা চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।

০০০০০

নতুন ধাৰণা, শক্তি আৰু উদ্দেশ্যেৰে যুৱশক্তিয়ে দেশক আগবঢ়াই নিবলৈ ইচ্ছুক বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰকাশ কৰিছে। নতুন দিল্লীত বিকশিত ভাৰত যুৱনেতা সন্মিলন-২০২৬ৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয়, যে ২০৪৭ চনত দেশে স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ কৰিব। এয়া দেশৰ যুৱক-যুৱতীসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ সময় হোৱাৰ লগতে সোণোৱালী সুযোগো হ'ব। যুৱক-যুৱতীসকলৰ সামৰ্থ দেশৰ সামৰ্থ হ'ব আৰু তেওঁলোকৰ সফলতাই দেশক সফলতাৰ নতুন শিখৰলৈ ধাৱমান কৰিব প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে কয়, যে যুৱনেতাৰ এই সন্মিলন ঐতিহাসিক আৰু অনন্য পদক্ষেপ। এই সন্মিলন অতি কম সময়ৰ ভিতৰতে বিশাল মঞ্চত পৰিণত হৈছে। ইয়াৰ দ্বাৰা দেশৰ উন্নয়নত যুৱক-যুৱতীসকলৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ষ্টাৰ্টআপ পৰিৱেশ তন্ত্ৰৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয়, যে ২০১৪ চনলৈকে দেশত ৫০০তকৈও কম পঞ্জীয়নভুক্ত ষ্টাৰ্টআপহে আছিল। দেশৰ যুৱক-যুৱতীসকলৰ সামৰ্থৰ ওপৰত আস্থা প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয়, যে যুৱ উদ্ভাৱকসকলক চৰকাৰে বিশেষভাৱে গুৰুত্ব দি আহিছে। তেওঁ ষ্টাৰ্টআপ ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়াৰ লগতে বিভিন্ন ব্যৱসায়িক দিশৰ ওপৰতো আলোকপাত কৰে। শ্ৰীমোদীয়ে দেশৰ যুৱক-যুৱতীসকলক আন্তঃৰাষ্ট্ৰীয় সুযোগ প্ৰদান কৰাৰ ক্ষেত্ৰতো আৰোপ কৰে। স্বামী বিবেকানন্দৰ জয়ন্তীৰ লগত সংগতি ৰাখি আয়োজিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে স্বামী বিবেকানন্দৰ জীৱনাদৰ্শ সকলোৰে বাবে প্ৰেৰণাৰ উৎস। এই অনুষ্ঠানৰ লগত সংগতি

ৰাখি আয়োজিত এখন প্ৰদৰ্শনীয়ো শ্ৰীমোদীয়ে পৰিদৰ্শন কৰে আৰু যুৱনেতাসকলৰ সৈতে মত বিনিময় কৰে। যোৱা ৯ জানুৱাৰীত আৰম্ভ এই সন্মিলনত দেশৰ বিভিন্ন পৰ্যায়ৰ ৫০ লাখৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

00000

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ই দেশৰ আন আন ৰাজ্যসমূহে অনুসৰণ কৰিছে। এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত কালি নিযুক্তি পত্ৰ বিতৰণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইকথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এ ডি আৰ ইৰ জৰিয়তে ৰাজ্য চৰকাৰে নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছতা আনিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰে।

00000

অসমত আজি মাঘ বিহুৰ উৰুকা। পবিত্ৰ উৎসৱটিয়ে সমাজত জাতীয় চেতনা জগাই তোলাৰ লগতে সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰে। কৃষিজীৱি অসমীয়াই শস্য চপোৱাৰ লগত সংগতি ৰাখি এই বিহু পালন কৰে। উৰুকাৰ নিশা লগেভাগে এসাজ খাবলৈ ৰাজ্যখনৰ জনসাধাৰণে প্ৰস্তুতি চলাইছে। পুৱাৰে পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ খাদ্য-সামগ্ৰীৰে উভৈনদী হৈ পৰিছে। উৰুকাৰ নিশাৰ ভোজলৈ পচন্দৰ মাছ-মঙহ বিছাৰি অসমীয়াই বজাৰত ব্যাপক ভিৰ কৰা পৰিলক্ষিত হৈছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। মেঘালয়ৰ শ্যামনগৰত ৰাইজে নৰা আৰু বাঁহেৰে এটি দুমহলীয়া ভেলাঘৰ সাজি উলিওৱা পৰিলক্ষিত হৈছে। শ্যামনগৰত বসবাস কৰা ৫ শতাধিক ৰাভা পৰিয়ালে প্ৰায় ১০ বছৰ ধৰি বিহু উদযাপন কৰি আহিছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে। কাইলৈ পুৱা মেজি আৰু ভেলাঘৰ জ্বলাই অগ্নিদেৱতাক সেৱা কৰি নেদেখাজনৰ আশিস ল'ব। তাৰ পাছত কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ বিচাৰিব। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুই সমাজৰ পৰা অসূয়া-অপ্ৰীতি দূৰ কৰি শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনে বুলি বিশ্বাস কৰা হয়।

00000

শস্য চপোৱাৰ উৎসৱ লোহৰী আজি উদযাপন কৰা হ'ব। বিশেষকৈ পাঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু ইয়াৰ আশে পাশে থকা অঞ্চলসমূহত এই উৎসৱ উদযাপন কৰা হয়। এই উৎসৱত শস্য চপোৱাক কেন্দ্ৰ কৰি আনন্দ-উল্লাস কৰা হয়। সন্ধিয়াৰ ভাগত সকলোৱে একলগ হৈ পৰম্পৰাগত গীত গাই একতাৰ এনাজৰী সুদৃঢ় কৰে।

00000

নিৰ্বাচন আয়োগে আসন্ন সময়সীমাৰ পূৰ্বে নিৰ্বাচনী তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ পশ্চিম বংগত অতিৰিক্ত ২০০০ মাইক্ৰ' অৱজাৰ্ভাৰ বা পৰ্যবেক্ষক নিযুক্ত কৰিছে। এই পদক্ষেপে ৰাজ্যখনত পৰ্যবেক্ষকৰ মুঠ সংখ্যা ৬৬০০ লৈ বৃদ্ধি পাইছে - যাৰদ্বাৰা শুনানি প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে হৈ উঠিব বুলি আশা কৰা হৈছে।

আয়োগে লগতে শুনানি কেন্দ্ৰৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে অধিক সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া নিযুক্তি দিয়াৰ কথাও বিবেচনা কৰিছে। নতুনকৈ নিযুক্তি পোৱা পৰ্যবেক্ষকসকলে ১৫ জানুৱাৰীত এটি বিশেষ এদিনীয়া প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব, য'ত

তথ্য পৰীক্ষণৰ নিয়ম, অমিল চিনাক্তকৰণ তথা আৰু খণ্ড বিষয়াৰ সৈতে সমন্বয়ৰ গুৰুত্বকলৈ তেওঁলোকক প্ৰশিক্ষিত কৰা হ'ব।

ইপিনে নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি, আনমেপ্‌ড বা শুংসূত্ৰহীন ভোটাৰ আৰু তথ্যৰ অসামঞ্জস্যতা থকাসকলকে ধৰি এক কোটিৰো অধিক ভোটাৰক শুনানিৰ বাবে মতাৰ সম্ভাৱনা আছে। এই পৰ্যন্ত ৩৪ লাখ ব্যক্তিলৈ শুনানিৰ জাননী জাৰি কৰা হৈছে বুলিও আয়োগে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, অহা ১৪ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ কথা।

০০০০০

নতুন দিল্লীৰ কৰ্তব্যপথত অনুষ্ঠিত হ'বলগীয়া গণতন্ত্ৰ দিৱসৰ পেৰেডৰ সম্পূৰ্ণ অনুশীলন উপভোগ কৰাৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ে বিনামূলীয়া প্ৰৱেশ পত্ৰৰ কথা ঘোষণা কৰিছে। চলিত মাহৰ ১৫ আৰু ১৬ তাৰিখে প্ৰৱেশ পত্ৰসমূহ উপলব্ধ হ'ব আৰু সম্পূৰ্ণ বিনামূলীয়াকৈ লাভ কৰিব। এই মাহৰ ২৩ তাৰিখে সম্পূৰ্ণ অনুশীলন অনুষ্ঠিত হ'ব। আমন্ত্ৰণ ৱেবছাইট www.aamantran.mod.gov.in বা আমন্ত্ৰণ মোবাইল এপৰ জৰিয়তে প্ৰৱেশ পত্ৰসমূহ বুকিং কৰিব পাৰিব।

০০০০০

অহা ফেব্ৰুৱাৰীৰ ১ তাৰিখে লোকসভাত ২০২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। সংসদৰ বাজেট অধিবেশন ২৮ জানুৱাৰীৰ  পৰা ২ এপ্ৰিললৈকে চলিব। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে ১ ফেব্ৰুৱাৰীৰ দিনৰ ১১ বজাত লোকসভাত বাজেট দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ নতুন দিল্লীত কালি অনুষ্ঠিত এখন সংবাদ মেলত এইকথা প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কৈছিল যে ২৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া বাজেট অধিবেশন ১৩ ফেব্ৰুৱাৰীত সমাপ্ত হ'ব। ৯ মাৰ্চত দ্বিতীয় পৰ্যায়ৰ বাবে সদন পুনৰ অনুষ্ঠিত হ'ব আৰু ২ এপ্ৰিললৈকে চলিব। মন্ত্ৰীগৰাকীয়ে কয়, যে অৰ্থপূৰ্ণ বিতৰ্ক আৰু জনকেন্দ্ৰিক শাসনৰ দিশত ই এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। মন্ত্ৰীগৰাকীয়ে জনোৱা মতে, কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০২৬ চনৰ বাজেট অধিবেশনৰ বাবে দুয়োখন সদন অনুষ্ঠিত কৰাৰ অনুমোদন দিছে।

০০০০০

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে নাগৰিককেন্দ্ৰিক পদক্ষেপ **ক্লিন টয়লেট পিক্সাৰ চেলেঞ্জ** কাৰ্যসূচীৰ সময়সীমা ৩০ জুনলৈ বৃদ্ধি কৰিছে। এই পদক্ষেপৰ দ্বাৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা শৌচাগাৰসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এইসমূহ শৌচাগাৰ জনসাধাৰণে যাতে ব্যৱহাৰ কৰিব পাৰে তাৰ ওপৰতো এই কাৰ্যসূচীৰ অধীনত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

হকী ইণ্ডিয়াই চলিত বৰ্ষৰ ৮ মাৰ্চৰ পৰা ১৪ মাৰ্চলৈ হায়দৰাবাদত অনুষ্ঠিত হ'বলগীয়া মহিলা ২০২৬ এফ.আই.এইচ হকী বিশ্বকাপ কোৱালিফায়াৰ আয়োজনৰ বাবে তেলেংগানা চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।

এই পদক্ষেপে আন্তঃৰাষ্ট্ৰীয় হকীৰ প্ৰেক্ষাপটত ভাৰতৰ ক্ৰমবৰ্ধমান ভূমিকা আৰু ক্ৰীড়া আয়োজক ৰাজ্য হিচাপে তেলেংগানাৰ উত্থানক প্ৰতিফলিত কৰা বুলি চৰ্চিত হৈছে।

মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে মন্তব্য কৰিছে যে, এই পদক্ষেপে ৰাজ্যখনৰ ক্ৰীড়া, মহিলা সবলীকৰণৰ ক্ষেত্ৰত দায়বদ্ধতা আৰু হায়দৰাবাদক বিশ্বব্যাপী ক্ৰীড়াৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ প্ৰতি ৰাজ্যখনৰ সংকল্পকেই প্ৰতিফলিত কৰিছে।

এই প্ৰতিযোগিতাত ভাৰত, ইংলেণ্ড, স্কটলেণ্ড, কোৰিয়া, ইটালী, উৰুগুৱে, ৱেলছ আৰু অষ্ট্ৰিয়াকে ধৰি আঠটা দলে অংশগ্ৰহণ কৰিব। শীৰ্ষ দল তিনিটাই ১৫ আগষ্টৰ পৰা ৩০ আগষ্টলৈ বেলজিয়াম তথা নেদাৰলেণ্ডছত হ’বলগীয়া এফ.আই.এইচ হকী বিশ্বকাপ ২০২৬লৈ পোনপটীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

00000

নৱী মুম্বাইত অনুষ্ঠিত মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ইউ পি ৱাৰিয়ৰ্জক ৯ উইকেটত পৰাস্ত কৰিছে। ১৪৪ ৰাণৰ বিজয়লক্ষ্য বেংগালুৰুৱে ১২ অ'ভাৰ আৰু এটা বলত মাত্ৰ এটা উইকেট হেৰুৱাই অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰা ইউ পি ৱাৰিয়ৰ্জে নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ১৪৩ ৰান সংগ্ৰহ কৰে। গ্ৰেচ হেৰিছক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়।

00000

সমাপ্ত